প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# বিশ্বনাথ জিলা পৰিষদৰ স্থায়ী কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন
# ‘উন্নত আন্তঃগাঁথনিয়ে কৰ্মপৰিৱেশ সুচল কৰাৰ লগতে কৰ্মোদ্যম বৃদ্ধি কৰে’—মন্ত্ৰী দলে

**গুৱাহাটী ১০ নৱেম্বৰ**—‘আমি এফালে যেনেদৰে গ্ৰাম্য অসমৰ সৰ্বাংগীন উন্নয়নৰ বাবে বিভিন্ন আঁচনি সফলতাৰে ৰূপায়ণ কৰি আছো, আনফালে এই আঁচনি ৰূপায়ণৰ গুৰি ধৰোতাসকলৰ কাম কৰাৰ পৰিৱেশ উন্নত কৰাৰ ওপৰতো সমানে গুৰুত্ব দিছো। তাৰ বাবে পৰ্যায়ক্ৰমে গাঁও পঞ্চায়তৰ পৰা জিলা পৰিষদৰ কাৰ্যালয়লৈকে সকলো আন্তঃগাঁথনি গঢ়ি তোলাত গুৰুত্ব দিছো। কিয়নো উন্নত আন্তঃগাঁথনিয়ে কৰ্মপৰিৱেশ সুচল কৰাৰ লগতে কৰ্মোদ্যম বৃদ্ধি কৰে।’—আজি বিশ্বনাথ জিলা পৰিষদৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰি দিয়া ভাষণ প্ৰসংগত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়।

গ্ৰাম্য অসমৰ উন্নতি কল্পে বিভাগৰ অধীনত ৰূপায়িত হৈ থকা প্ৰতিখন আঁচনিৰ সফলতাৰ বাবে বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীকে দায়বদ্ধতা আৰু নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰিবলৈ আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে লগতে কয় যে গ্ৰামোন্নয়নৰ বাবে লোৱা প্ৰতিখন আঁচনিৰ লগতে ৰাজ্যখনৰ বৃদ্ধ, বিধৱাসকলৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ সম্পৰ্কেও ব্যাপক সজাগতা সৃষ্টি কৰিব লাগে যাতে সকলোৱে ইয়াৰ পৰা লাভ আদায় কৰিব পাৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ বাবে নতুনকৈ ১১ লাখ হিতাধিকাৰী বাচনিত কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়াৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰী হিচাপে তেওঁ দিল্লীলৈ গৈ কৰা নিৰন্তৰ প্ৰচেষ্টাৰ সুফল এয়া। আনহাতে জিঅ’ টেগিংৰ পৰা বাদ পৰা গৃহসমূহৰো জিঅ’ টেগ কৰাৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি সকলো দুখীয়া লোককে একোটাকৈ বাসগৃহ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৰা পৰিকল্পনাৰ বাস্তৱ ৰূপ দিয়াৰ বাবে সকলো পঞ্চায়ত প্ৰতিনিধি তথা বিষয়া-কৰ্মচাৰীকে একাগ্ৰতাৰে কাম কৰিবলৈ আহ্বান জনায়। তদুপৰি মহিলাসৱলীকৰণৰ বাবে চৰকাৰে নতুনকৈ ঘোষণা কৰা স্বনিৰ্ভৰ নাৰী আত্মনিৰ্ভৰ অসমৰ লগতে কনকলতা মহিলা সৱলীকৰণ যোজনাৰ ফলপ্ৰসূ ৰূপায়ণৰ ববেও সকলোকে পূৰ্বতকৈ অধিক আগ্ৰহেৰে কাম কৰিবলৈ তেওঁ লগতে আহ্বান জনায়। আনহাতে অবিবাহিত আৰু বিবাহ বিচ্ছেদ হৈ অকলে থকা মহিলাসকলৰ বাবে গ্ৰহণ কৰা আইদেউ সন্দিকৈ আঁচনিখন অহা ডিচেম্বৰ মাহত প্ৰৱৰ্তন কৰা হ’ব বুলিও ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আজিৰ সভাত অসম চৰকাৰৰ হস্তত‌াঁত-বস্ত্ৰ শিল্প, ৰেচম আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্ত, বিধায়কদ্বয় ক্ৰমে পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী লাৱণ্য চাৰিঙ্গীয়া, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্ত হেমেন দাস, বিশ্বনাথ জিলাৰ উপায়ুক্ত প্ৰণৱ শৰ্মা আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ত্ৰিপুৰেন্দ্ৰ পাটৰকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

*এম আৰ ডি/১০-১১-২০২০*








বিশ্বনাথ জিলা পৰিষদ কাৰ্যালয়ৰ
আধাৰশিলা স্থাপন অনুষ্ঠান





চৰকাৰ
আজি ইং ১০-১১-২০২০ তাৰিখে
অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মাননীয় মন্ত্ৰী
শ্ৰীযুত নৱ কুমাৰ দলে ডাঙৰীয়াই
মাননীয় মন্ত্ৰী শ্ৰীযুত ৰঞ্জিত দত্ত,
মাননীয় সাংসদ শ্ৰীযুত পল্লৱ লোচন দাস,
মাননীয় বিধায়কত্ৰয়
শ্ৰীযুত পদ্ম হাজৰিকা, শ্ৰীযুত প্ৰমোদ বৰঠাকুৰ,
শ্ৰীযুত উৎপল বৰা,





